# অসম কলেজ শিক্ষক সংস্থা
# ASSAM COLLEGE TEACHERS' ASSOCIATION

প্ৰতি
সভাপতি /সম্পাদক
.................................................................... মণ্ডল / শিক্ষকগোট,

অসম কলেজ শিক্ষক সংস্থা

**প্ৰিয় সতীৰ্থ,**

নমস্কাৰ গ্ৰহণ কৰিব। অসম কলেজ শিক্ষক সংস্থাৰ যোৱা ৩-৮-২০১৪ তাৰিখে অনুষ্ঠিত হোৱা কৰ্ণধাৰ সমিতিৰ সভাই সংস্থাৰ দীৰ্ঘদিনীয়া ন্যায্য দাবী সমূহ সমাধানৰ দাবীত অহা ১৩-৮-২০১৪ তাৰিখৰ পৰা এলানি প্ৰতিবাদী কাৰ্যসূচী পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই কাৰ্যসূচী সমূহৰ অংশ স্বৰূপে-

- ১৩ আগষ্ট ২০১৪ তাৰিখে উচ্চ শিক্ষা সঞ্চালকৰ সন্মুখত কৰ্ণধাৰ সমিতিৰ সদস্য সকলে পুৱা ৬ বজাৰ পৰা ৩৬ ঘণ্টীয়া অনশন কাৰ্য্যসূচী পালন কৰিব।
- ১৯ আগষ্ট ২০১৪ তাৰিখে সংস্থাৰ অন্তৰ্গত গোটসমূহে দিনৰ ১২ বজাৰ পৰা ১ বজালৈ মহাবিদ্যালয়ত প্ৰতিবাদী সভা অনুষ্ঠিত কৰি নিজৰ দাবী সমূহ সাব্যস্ত কৰিব।
- ২৭ আগষ্টত দিনৰ ১১ বজাৰ পৰা ১ বজালৈ সংস্থাৰ অন্তৰ্গত গোট সমূহে সংশ্লিষ্ট মহাবিদ্যালয়ৰ অধ্যক্ষৰ কাৰ্য্যালয়ৰ সন্মুখত ২ ঘণ্টাৰ বাবে অবস্থান ধৰ্মঘট পালন কৰিব। গোট সমূহে বৈদ্যুতিক প্ৰচাৰ মাধ্যম আৰু ছপা মাধ্যমৰ যোগেদি তেওঁলোকৰ কাৰ্যসূচীৰ বিষয়ে সকলোকে অৱগত কৰিব।
- ৫ ছেপ্টেম্বৰৰ শিক্ষক দিৱসৰ দিনা সংস্থাৰ কেন্দ্ৰীয় সমিতিৰ সকলো সদস্য, মণ্ডল সমূহৰ সভাপতি আৰু সম্পাদক আৰু গোট সমূহৰ সভাপতি আৰু সম্পাদকসমূহ এক গোট হৈ উচ্চ শিক্ষাৰ সঞ্চালকৰ কাৰ্য্যালয়ৰ সন্মুখত দিনৰ ১০ বজাৰ পৰা বিয়লি ৩ বজালৈ অৱস্থান ধৰ্মঘট পালন কৰিব। মহাবিদ্যালয় সমূহত শিক্ষক গোটৰ সদস্যসকলে কলা বেজ পৰিধান কৰিব।

ইয়াৰ পিছতো যদি সংস্থাৰ ন্যায্য দাবী সমূহ অসম চৰকাৰে সমাধানৰ বাবে চেষ্টা নকৰে তেন্তে অহা ১৩ চেপ্টেম্বৰ, ২০১৪ তাৰিখে সংস্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ সভা অনুষ্ঠিত কৰি পৰবৰ্ত্তী আন্দোলনৰ কাৰ্য্যসূচী ঘোষণা কৰিব। আন্দোলনৰ সকলো কাৰ্যসূচীতে সক্ৰিয় অংশ গ্ৰহণ কৰাৰ বাবে সকলো সদস্যকে আহ্বান জনোৱা হ'ল। সংস্থাৰ দাবী কেইটা হ'ল -

১। ২০০৪ চনৰ ২৪ জুনৰ পৰা ২০০৯ চনৰ ৩০ এপ্ৰিলৰ ভিতৰত অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগে বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা নিৰ্দ্ধাৰিত আৰু অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ দ্বাৰা অনুমোদিত সম্পূৰ্ণ অৰ্হতা NET/ SLET/ Ph.D/M.Phil থকা কলেজ শিক্ষক সকলক ৫০০০.০০ টকা স্থিৰ দৰমহাত নিযুক্তি দিছিল। পৰবৰ্ত্তী সময়ত অসম কলেজ শিক্ষক সংস্থাই এই শিক্ষক সকলৰ সমস্যা সমাধানৰ বাবে সুদীৰ্ঘদিন ধৰি দাবী উত্থাপন কৰি আহিছে যদিও সমস্যাবোৰৰ স্থায়ী সমাধান হোৱা নাই। চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অনুসৰি এই শিক্ষক সকলৰ নিযুক্তিৰ সময়ৰে পৰা বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা নিৰ্দ্ধাৰিত নিৰিখৰ আধাৰত দৰমহা আদায় দিয়াৰ লগতে অতি শীঘ্ৰে জ্যেষ্ঠতাৰ ভিত্তিত বাৰ্ষিক বৃদ্ধিবোৰ নিয়মীয়া কৰিবলৈ দাবী জনায়।

২। ক) দীৰ্ঘদিন ধৰি মঞ্জুৰীকৃত পদত ৮০০০.০০ টকা স্থিৰ বেতন আৰু ৮০০০.০০ টকাৰ লগতে অন্যান্য বানচসহ নিযুক্তি লাভ কৰা শিক্ষকসকলক তেওঁলোকৰ NET/ SLET/ Ph.D/M.Phil ৰ চৰ্ত্ত পূৰণৰ তাৰিখ নিৰ্বিশেষে নিযুক্তিৰ তাৰিখৰ পৰা জ্যেষ্ঠতা গণ্য কৰি Time Scale Promotion দিয়াৰ লগতে তেওঁলোকৰ সম্পূৰ্ণ সংশোধিত দৰমহাৰ হাৰত নিয়োগৰ তাৰিখৰ পৰা পাবলগীয়া বাৰ্ষিক বৃদ্ধিসমূহ মূল দৰমহাৰ লগতে সংযোজিত কৰিবলৈ দাবী জনায়।

খ) যিসকল কলেজ শিক্ষকৰ দৰমহা এতিয়াও ৮০০০.০০ টকাৰ লগতে অন্যান্য বানচসহ পূৰ্বৰ বেতনক্ৰমতে স্থিৰ হৈ আছে তেওঁলোকক চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অনুসৰি অতিশীঘ্ৰে সংশোধিত হাৰৰ দৰমহা প্ৰদান কৰিবলৈ দাবী জনায়।

গ) যিসকল কলেজ শিক্ষকে ২০০০ চনৰ ১৩ জানুৱাৰীৰ পূৰ্বে মঞ্জুৰীকৃত পদত নিযুক্তি লাভ কৰে অথবা অমঞ্জুৰীকৃত পদত নিযুক্তি লাভ কৰি পৰবৰ্ত্তী কালত নিয়মীয়াকৰণৰ দ্বাৰা স্থায়ী পদত নিযুক্তি লাভ কৰে, অমঞ্জুৰী প্ৰাপ্ত পদত নিযুক্তি সময়ত NET/ SLET ৰ অৰ্হতা পূৰ্বচৰ্ত্ত হিচাপে নথকা এই শিক্ষকসকলক NET/ SLET আদি অৰ্হতা অৰ্জনৰ পৰা ৰেহাই দিয়াৰ দাবী জনায়।

৩। বিশ্ববিদ্যালয় অনুদান আয়োগৰ শেহতীয়া নিয়মাৱলীৰ আধাৰত ০১-০১-২০০৬ তাৰিখৰ পৰা নতুন হাৰৰ দৰমহাৰ নিৰিখ কলেজ শিক্ষকৰ বাবে প্ৰযোজ্য হৈছে যদিও UGC ৰ "Composite Package" আজিকোপতি কাৰ্য্যকৰী কৰা হোৱা নাই। এই ক্ষেত্ৰত অসম কলেজ শিক্ষক সংস্থাই ৰাজ্য চৰকাৰৰ ওচৰত কলেজ শিক্ষকৰ অৱসৰৰ বয়স ৬৫ বছৰলৈ বৃদ্ধিকে ধৰি UGC ৰ Composite Package তাৎক্ষণিকভাৱে কাৰ্য্যকৰী কৰিবলৈ দাবী জনায়।

৪। গুৱাহাটী কমাৰ্চ কলেজৰ ৫ গৰাকী শিক্ষকৰ নিলম্বন অনতিপলমে নিঃচৰ্তভাবে প্ৰত্যাহাৰ কৰাৰ ব্যৱস্থা কৰক। লগতে বিতৰ্কিত, দুৰ্নীতি পৰায়ণ অধ্যক্ষজনৰ বিৰুদ্ধে উত্থাপিত হোৱা সকলো অভিযোগৰ উচ্চ পৰ্যায়ৰ তদন্ত কৰি দৃষ্টান্তমূলক শাস্তিৰ বিধান কৰক।

৫। বিশ্ববিদ্যালয় অনুদান আয়োগৰ সংশোধিত দৰমহা ৩৩মাহৰ বকেয়া ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত দিয়াৰ দৰে শীঘ্ৰে আদায় দিয়াৰ ব্যৱস্থা কৰক।

৬। অসমৰ প্ৰাদেশীকৃত মহাবিদ্যালয় সমূহত কৰ্মৰত শিক্ষক কৰ্মচাৰী সকলৰ পদ সমূহ স্থায়ী ৰিটেনচন্‌ৰ সমস্যা তৎকালীনভাৱে সমাধান কৰিব লাগে।

৭। দীৰ্ঘদিন ধৰি অসমৰ প্ৰাদেশীকৃত মহাবিদ্যালয় সমূহত অমঞ্জুৰীকৃত পদত শিক্ষকতা কৰি থকা কলেজ শিক্ষক সকলৰ পদ সমূহ প্ৰাদেশীকৰণৰ আওতালৈ আনিব লাগে।

৮। অসমৰ প্ৰাদেশীকৃত মহাবিদ্যালয় সমূহত নতুন কলেজ শিক্ষক পদৰ সৃষ্টি কৰিব লাগে।

৯। অসম চৰকাৰৰ উচ্চ শিক্ষাধিকৰ্ত্তাৰ কাৰ্যালয়ত 'স্থায়ী তথা পূৰ্ণকালীন উচ্চ শিক্ষাধিকৰ্ত্তা' নিযুক্তি দিয়ক। উচ্চ শিক্ষাধিকৰ্ত্তাৰ কাৰ্য্যালয়ত চলি থকা অবাধ দুৰ্নীতি ৰোধ কৰিবলৈ যথোপযুক্ত ব্যৱস্থা শীঘ্ৰেই হাতত লওক।

শ্ৰদ্ধাৰে -

(ৰাণা কুমাৰ চাংমাই)
সভাপতি
অসম কলেজ শিক্ষক সংস্থা

(ড° জ্যোতি কমল হাজৰিকা)
সাধাৰণ সম্পাদক
অসম কলেজ শিক্ষক সংস্থা

**জয়তু অসম কলেজ শিক্ষক সংস্থা**